NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

ooooooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নোৱাখাই উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰি দেশৰ কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিজেপি দল ক্ষমতাত থকালৈকে সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ পুনৰ প্ৰতিষ্ঠা কৰা নহ'ব বুলি প্ৰকাশ কৰিছে।

৩। টাইমছ আলোচনীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱক প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত অন্যতম প্ৰভাৱশালী ব্যক্তি হিচাপে নিৰ্বাচিত কৰিছে।

৪। প্ৰেছ ইনফৰমেচন ব্যুৰ' পি আই বিৰ সত্য অনুসন্ধান গোটে পি এম কুসুম যোজনাৰ অধীনত পঞ্জীয়ন মাচুল জমা কৰিবলৈ কোৱা প্ৰৱঞ্চক দল এটাৰ বিৰুদ্ধে জনসাধাৰণক সতৰ্ক কৰিছে।

*আৰু*

৫। এছিয়া কাপ হকীত আজি ভাৰতে আয়োজক চীনক ৩-০ ফলাফলত পৰাস্ত কৰে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নোৱাখাই উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰাৰ লগতে সমাজত তেওঁলোকৰ বৰঙণিক প্ৰশংসা কৰে।

ooooooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ পুনৰ প্ৰতিষ্ঠা কৰাৰ বাবে কংগ্ৰেছ দলে জনোৱা দাবীৰ বিৰুদ্ধে দৃঢ় মত প্ৰকাশ কৰি কয় যে, বিজেপি দল ক্ষমতাত থকালৈকে এই অনুচ্ছেদ পুনৰ প্ৰতিষ্ঠা কৰা নহ'ব। মন্ত্ৰীগৰাকীয়ে দলটোৰ নেতৃত্বত জম্মু-কাশ্মীৰত পৰিলক্ষিত হোৱা শেহতীয়া অগ্ৰগতি সন্দৰ্ভত আলোকপাত কৰাৰ লগতে অঞ্চলটোৰ সাম্প্ৰতিক অৱস্থা অক্ষুণ্ণ ৰাখিবলৈ বিজেপিৰ প্ৰতিশ্ৰুতিবদ্ধতা দোহাৰে। প্ৰতিৰক্ষা মন্ত্ৰীয়ে ৰামবান জিলাত আয়োজিত এটা ৰেলীক সম্বোধন কৰি কয় যে, দেশৰ জনসাধাৰণৰ

লগতে সমগ্ৰ বিশ্বৰ দৃষ্টি জম্মু-কাশ্মীৰৰ নিৰ্বাচনত নিৱদ্ধ হৈ আছে। ৩৫(এ) তথা ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ পাছত অঞ্চলটোত ভোটদানৰ হাৰ বৃদ্ধি হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে প্ৰশংসা কৰে। ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ ফলত অঞ্চলটোত অস্থিৰতাৰ সৃষ্টি হোৱা বুলি কংগ্ৰেছে অনা অভিযোগ নস্যাৎ কৰি তেওঁ  বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে অঞ্চলটোত শান্তি প্ৰতিষ্ঠা কৰা বুলি উল্লেখ কৰে। সন্ত্ৰাসবাদৰ বাবে পূৰ্বে জনাজাত জম্মু-কাশ্মীৰ সম্প্ৰতি পৰ্য্যটন তথা বিকাশৰ বাবে বিখ্যাত হৈ পৰা বুলি তেওঁ প্ৰকাশ কৰে। অঞ্চলটোৰ জনসাধাৰণৰ বিকাশ আৰু নিৰাপত্তা অটুট থাকিব বুলি উল্লেখ কৰি তেওঁ কয় যে, বিজেপিৰ নীতিসমূহে জম্মু-কাশ্মীৰত শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰখাটো নিশ্চিত কৰিব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি লক্ষ্ণৌত এটা অট্টালিকা ভাঙি নিহত হোৱা লোকসকলৰ শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য লাভৰ বাবে প্ৰাৰ্থনা জনাইছে। প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিজন মৃতকৰ আত্মীয়লৈ ২ লাখ টকাৰ এককালীন সাহায্য আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ সাহায্য ঘোষণা কৰিছে। সামাজিক মাধ্যমৰ এক পোষ্টযোগে প্ৰধানমন্ত্ৰীয়ে এই ঘটনাৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰি আহতসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০০০০০০

টাইমছ আলোচনীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱক প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত অন্যতম প্ৰভাৱশালী ব্যক্তি হিচাপে নিৰ্বাচিত কৰিছে। শ্ৰীবৈষ্ণৱৰ নাম তালিকাখনৰ শ্বেপাৰ শ্ৰেণীত অন্তৰ্ভুক্ত হৈছে। আলোচনীখনে শ্ৰীবৈষ্ণৱৰ নেতৃত্বত ভাৰতে অহা ৫ বছৰত অৰ্ধ পৰিবাহী নিৰ্মাণৰ ক্ষেত্ৰত শীৰ্ষ ৫ খন দেশৰ ভিতৰত অন্যতম দেশ হ'ব বুলি আশা প্ৰকাশ কৰিছে। আলোচনীখনে উল্লেখ কৰিছে যে, আধুনিক এ আই ব্যৱস্থাৰ বাবে জৰুৰী মূল উপাদানৰ নিৰ্মাণ ইতিমধ্যে কেইবাটাও কাৰখানাত আৰম্ভ হৈছে। আলোচনীখনে লগতে এই কথাতো আলোকপাত কৰে যে, ভাৰতীয় শিক্ষা ব্যৱস্থাই অত্যাধুনিক কৃত্ৰিম বুদ্ধিমত্তা আৰু অৰ্ধ-পৰিবাহী বিকাশৰ বাবে প্ৰয়োজনীয় বিশেষ কৰ্মশক্তি উৎপাদন কৰিবলৈ অগ্ৰসৰ হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে কয় যে, এই তালিকাত শ্ৰীবৈষ্ণৱৰ নাম অন্তৰ্ভুক্তিয়ে ভাৰতক কৃত্ৰিম বুদ্ধিমত্তাৰ দিশত এক উল্লেখযোগ্য শক্তি হিচাপে আত্ম প্ৰকাশ কৰাৰ ক্ষেত্ৰত তেওঁৰ গুৰুত্বপূৰ্ণ ভূমিকাক উজ্বলাই তুলিছে।

এই তালিকাত গুগলৰ চি ই অ' সুন্দৰ পিচাই, মাইক্ৰ'চফটৰ চি ই অ' সত্য নাডেলা, অ'পেন এ আইৰ চি ই আই চেম অলটমেন, মেটাৰ চি ই অ' মাৰ্ক জুকাৰবাৰ্গ আৰু ইনফ'ছিছৰ সহ প্ৰতিষ্ঠাপক নন্দন নীলেকানিকে ধৰি কেইগৰাকী বিশিষ্ট ব্যক্তিৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০০০০০

অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে আজি ৰাজ্যপাল এছ আব্দুল নাজিৰক বিজয়াৱৰাৰ ৰাজভৱনত সৌজন্যমূলক সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যপালক বান পৰিস্থিতি সন্দৰ্ভত অৱগত কৰাৰ লগতে ৰাজ্যখনৰ বিজয়াৱৰা তথা আন অঞ্চলসমূহত ধাৰাষাৰ বৰষুণৰ ফলত হোৱা ক্ষয়-ক্ষতিৰ আভাষ দিয়ে। চৰকাৰে অহৰ্নিশে আগবঢ়াই থকা বান সাহায্য তথা পুনৰসংস্থাপনৰ ব্যৱস্থা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে তেওঁক

অৱগত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে বান পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ গ্ৰহণ কৰা কাৰ্য্যপন্থাক ৰাজ্যপালে প্ৰশংসা কৰাৰ লগতে শীঘ্ৰেই ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

প্ৰেছ ইনফৰমেচন ব্যুৰ' পি আই বিৰ সত্য অনুসন্ধান গোটে পি এম কুসুম যোজনাৰ অধীনত পঞ্জীয়ন মাচুল হিচাপে ৮ হাজাৰ টকা জমা কৰিবলৈ কোৱা প্ৰৱঞ্চক দল এটাৰ বিৰুদ্ধে জনসাধাৰণক সতৰ্ক কৰিছে। গোটটোৱে সদৰী কৰা অনুসৰি, পঞ্জীয়ন মাচুল জমা দিয়াৰ পাছত এই আঁচনিৰ অধীনৰ আবেদন গ্ৰহণ কৰা হ'ব বুলি উল্লেখ থকা নকল পত্ৰ জনসাধাৰণলৈ প্ৰেৰণ কৰা হৈছে। চৰকাৰে এই পত্ৰ নকল বুলি সদৰী কৰি এনেধৰণৰ সকলো দাবী অস্বীকাৰ কৰিছে। নতুন তথা নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে পি এম কুসুম আঁচনিৰ প্ৰতি আগ্ৰহী জনসাধাৰণক ধন জমা কৰা তথা কোনো ব্যক্তিগত তথ্য প্ৰদান কৰাৰ পূৰ্বে ৱেবচাইটসমূহৰ বিশ্বাসযোগ্যতা সম্বন্ধে সুনিশ্চিত হ'বলৈ পৰামৰ্শ দিয়ে। এই সন্দৰ্ভত সবিশেষ তথ্য তথা এই আঁচনিৰ লাভালাভ প্ৰাপ্ত হোৱাৰ বাবে প্ৰয়োজন হোৱা যোগ্যতা আৰু আঁচনিখন ৰূপায়ণৰ সবিশেষ মন্ত্ৰালয়ৰ ৱেবচাইট pmkusum.mnre.gov.inত উপলব্ধ বুলি সদৰী কৰা হৈছে। তদুপৰি, আগ্ৰহীসকলে ১৮০০-১৮০-৩৩৩৩ টোল ফ্ৰি নম্বৰত ফোন কৰি সবিশেষ জানিব পাৰিব।

০০০০০০০০০

এজন যুৱকৰ দেহত মাংকি পক্সৰ সংক্ৰমণ হোৱা বুলি সন্দেহ কৰা হৈছে। উল্লেখযোগ্য যে, তেওঁ এম পক্সৰ সংক্ৰমণ থকা এখন দেশ অলপতে ভ্ৰমণ কৰিছিল। স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এখন বিশেষ চিকিৎসালয়ত ৰোগীজনক আছুতীয়াকৈ ৰখা হৈছে। তদুপৰি, মাংকি পক্সৰ উপস্থিত সন্দৰ্ভত নিশ্চিত হ'বলৈ নমুনা পৰীক্ষা কৰি থকা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি, ৰোগীৰ অৱস্থা সম্প্ৰতি সুস্থিৰ হৈ আছে। মন্ত্ৰালয়ে লগতে প্ৰকাশ কৰে যে, নিৰ্ধাৰিত নীতি অনুসৰি তেওঁৰ চিকিৎসা কৰি থকা হৈছে তথা তেওঁৰ সংস্পৰ্শলৈ অহাসকলৰ বাবে যথাবিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ভ্ৰমণ সম্পৰ্কীয় এনে ঘটনাৰ মুখামুখি হ'বলৈ দেশ প্ৰস্তুত হৈ আছে বুলি মন্ত্ৰালয়ে সদৰী কৰিছে।

০০০০০০০০০

আবুধাৱিৰ ৰাজকুমাৰ শ্বেখ খালেদ বিন মহম্মদ বিন জায়েদ আল নাহিয়ানে আজি তিনিদিনীয়া ভাৰত ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হৈছে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে ৰাজকুমাৰগৰাকীক বিমান বন্দৰত আদৰণি জনাই। আবুধাৱিৰ ৰাজকুমমাৰ হিচাপে তেওঁৰ এয়া প্ৰথম বাৰত ভ্ৰমণ। এই ভ্ৰমণত সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ কেইবাগৰাকীও মন্ত্ৰী তথা ব্যৱসায়িক প্ৰতিনিধিয়ে তেওঁক সংগ দিছে। ৰাজকুমাৰগৰাকীয়ে কাইলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন বিষয় আলোচনা কৰিব। তদুপৰি নাহিয়ানে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰাৰ লগতে ৰাজঘাটত উপস্থিত হৈ মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰিব। ৰাজকুমাৰগৰাকীয়ে অহা মঙলবাৰে মুম্বাইত উপস্থিত হৈ এখন বাণিজ্যিক সন্মিলনত অংশগ্ৰহণ কৰিব। এই সন্মিলনত দুয়োখন দেশৰ বাণিজ্যিক কৰ্ণধাৰসকলে অংশগ্ৰহণ কৰিব। বিগত কেইবছৰমানত ভাৰত আৰু সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰৰ ব্যাপক কৌশলগত মিত্ৰতা, ৰাজনৈতিক, বাণিজ্য, বিনিয়োগ, সংযোগ, শক্তি, প্ৰযুক্তি, শিক্ষা আৰু সংস্কৃতিকে ধৰি ব্যাপক পৰিসৰৰ ক্ষেত্ৰত

গভীৰ হৈ পৰিছে। ৰাজকুমাৰগৰাকীৰ এই ভ্ৰমণে দুয়োখন দেশৰ এই সম্পৰ্ক অধিক গভীৰ কৰি তোলাৰ লগতে বিভিন্ন নতুন ক্ষেত্ৰত মিত্ৰতাৰ সুযোগ মুকলি কৰিব।

০০০০০০০০০

গ্ৰামোন্নয়ন ৰাজ্য মন্ত্ৰী ড০ পেম্মাচানি চন্দ্ৰশেখৰে আজি অন্ধ্ৰপ্ৰদেশৰ গুণ্টুৰ জিলাৰ বান ক্ষতিগ্ৰস্তসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে ৱেংকটকৃষ্ণপুৰম, অনুমাৰ্লাপুড়ী, তাংগেল্লামুড়ি তথা সমীপৰ অঞ্চলসমূহৰ বানত বুৰ যোৱা খেতিপথাৰসমূহ পৰিদৰ্শন কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে, কৃষকসকলক লোকচানৰ পৰা সুৰক্ষা দিবলৈ পদক্ষেপ গ্ৰহণ কৰা হ'ব। তেওঁ লগতে অতিৰিক্ত সাহায্য আগবঢ়োৱাৰো প্ৰতিশ্ৰুতি দিয়ে। ড০ চন্দ্ৰশেখৰে যুদ্ধকালীন ক্ষীপ্ৰতাৰে অঞ্চলটোৰ নলা নিষ্কাষণ ব্যৱস্থাৰ আধুনিকৰীকৰণৰ বাবে ৩০০ কোটি টকাৰ পৰিকল্পনাৰ বিষয়ে ঘোষণা কৰে।

০০০০০০০০০

এছিয়া কাপ হকীত আজি ভাৰতে আয়োজক চীনক ৩-০ ফলাফলত পৰাস্ত কৰে। খেলৰ প্ৰথম তিনিটা কোৱাৰ্টাৰৰ প্ৰতিটোতে সুখজিৎ সিং, উত্তম সিং আৰু অভিষেকে এটাকৈ গ'ল দি উদ্বোধনী খেলখনত ভাৰতৰ জয় নিশ্চিত কৰে। কাইলৈ ভাৰত জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। যোৱা মাহত পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক দখল কৰাৰ পাছত ভাৰতে পঞ্চমটো খিতাপ লাভৰ বাবে প্ৰচেষ্টা চলাব।

০০০০০০০০০

সমাপ্ত